# NSD NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 29-11-2024
**Time :** 1910 Hrs

# *Assamese Evening Bulletin*
## ***<u>Headlines</u>***

১। বাংলাদেশত হিন্দুসকলৰ ওপৰত সংঘটিত হিংসা সন্দৰ্ভত চৰকাৰে অত্যন্ত গুৰুত্ব সহকাৰে লৈছে বুলি বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে প্ৰকাশ কৰিছে।

২। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জগত প্ৰকাশ নাড্ডাই কয়, যে প্ৰধানমন্ত্ৰী আয়ুষ্মান ভাৰত স্বাস্থ্য আন্তঃগাঁথনি অভিযানৰ প্ৰধান লক্ষ্য হৈছে দেশত শক্তিশালী স্বাস্থ্য সেৱা প্ৰদান কৰা আৰু জনস্বাস্থ্যৰ আন্তঃগাঁথনি উন্নত কৰা।

৩। অহা ৬ ডিচেম্বৰৰ পৰা হ'বলগীয়া অষ্টলক্ষ্মী মহোৎসৱে উত্তৰ-পূৰ্বাঞ্চলৰ সৈতে দেশৰ অন্যান্য প্ৰান্তৰ সাংস্কৃতিক আৰু অৰ্থনৈতিক ব্যৱধান দূৰ কৰিব বুলি উত্তৰ-পূব উন্নয়ন মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই আশা প্ৰকাশ কৰিছে।

*আৰু*

৪। কেন্দ্ৰীয় বস্ত্ৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই বস্ত্ৰ উদ্যোগত মহিলাৰ অংশগ্ৰহণ উল্লেখনীয়ভাৱে বৃদ্ধি হোৱা বুলি মন্তব্য কৰিছে।

০০০০০

বাংলাদেশত হিন্দুসকলৰ ওপৰত সংঘটিত হিংসা সন্দৰ্ভত চৰকাৰে গুৰুত্ব সহকাৰে লৈছে বুলি বিদেশ মন্ত্ৰী ড০ এছ জয়শংকৰে প্ৰকাশ কৰিছে। আজি লোকসভাত এটা লিখিত উত্তৰত মন্ত্ৰীগৰাকীয়ে কয় যে চলিত বৰ্ষৰ আগষ্ট মাহত বাংলাদেশত ঘৰ আৰু ব্যৱসায়িক প্ৰতিষ্ঠান সমূহত লুটপাত কৰা হৈছে আৰু মন্দিৰ আৰু অন্যান্য উপাসনাস্থলীত আক্ৰমণ সংঘটিত হৈছে।

ড০ জয়শংকৰে কয় যে, শেহতীয়াকৈ বাংলাদেশত অনুষ্ঠিত হোৱা দুৰ্গা পূজাৰ সময়তো মন্দিৰ আৰু পূজা মণ্ডপত আক্ৰমণৰ বাতৰি পোহৰলৈ আহিছে। তেওঁ কয়, চলিত বৰ্ষৰ দুৰ্গা পূজাৰ সময়ত ঢাকাৰ তাঁতীবজাৰৰ পূজা মণ্ডপত সংঘটিত হোৱা আক্ৰমণ আৰু সাতখিৰাৰ যোশ্বেশ্বৰী কালি মন্দিৰত চুৰি কৰা ঘটনাক লৈ চৰকাৰে গুৰুতৰ উদ্বেগ প্ৰকাশ কৰিছে। তেওঁ কয়, ঢাকাত থকা ভাৰতীয় উচ্চায়ুক্তই বাংলাদেশৰ সংখ্যালঘুৰ সৈতে জড়িত পৰিস্থিতি নিৰন্তৰ নিৰীক্ষণ কৰি আছে। তেওঁ কয়, সংখ্যালঘুকে ধৰি বাংলাদেশৰ সকলো নাগৰিকৰ জীৱন আৰু মৌলিক সুৰক্ষাৰ প্ৰাথমিক দায়িত্ব বাংলাদেশ চৰকাৰৰ।

ooooo

প্ৰধানমন্ত্ৰী আয়ুষ্মান ভাৰত স্বাস্থ্য আন্তঃগাঁথনি অভিযানৰ অধীনত দেশত ৩ হাজাৰ ৩০০তকৈও অধিক প্ৰাথমিক চিকিৎসা সেৱা কেন্দ্ৰ, ৭৩০টা সংহত জনস্বাস্থ্য পৰীক্ষাগাৰ আৰু ৬০২টা জটিল ৰোগ চিকিৎসা কেন্দ্ৰ স্থাপন কৰাৰ লক্ষ্য হাতত লোৱা হৈছে। আজি লোকসভাত লিখিত প্ৰশ্নৰ উত্তৰত কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জগত প্ৰকাশ নাড্ডাই কয়, যে এই অভিযানৰ  প্ৰধান লক্ষ্য হৈছে দেশত শক্তিশালী স্বাস্থ্য সেৱা প্ৰদান কৰা আৰু জনস্বাস্থ্যৰ আন্তঃগাঁথনি উন্নত কৰা। মন্ত্ৰীগৰাকীয়ে কয়, যে এই অভিযানৰ মূল লক্ষ্য হৈছে সকলো পৰ্যায়তে জনসাধাৰণে লাভ কৰা স্বাস্থ্য সেৱাৰ মান উন্নত কৰা। শ্ৰীনাড্ডাই আৰু কয়, যে প্ৰধানমন্ত্ৰী আয়ুষ্মান ভাৰত স্বাস্থ্য আন্তঃগাঁথনি অভিযানৰ অধীনত ৬৪ হাজাৰ কোটিতকৈও অধিক টকাৰ কেন্দ্ৰীয় আঁচনি ৰূপায়ণ কৰা হৈছে।

ooooo

হুলস্থূলীয়া পৰিস্থিতিৰ বাবে সদনৰ শীতকালীন অধিৱেশন একেৰাহে চতুৰ্থ দিনৰ কাৰ্যক্ৰমণিকা বাধাগ্ৰস্ত হয়। ৰাজ্যসভা দিনটোৰ বাবে স্থগিত ৰখাৰ বিপৰীতে নিৰ্দিষ্ট ব্যৱসায়ী গোষ্ঠীৰ উপ-ঢৌকনকে ধৰি বিভিন্ন বিষয় সন্দৰ্ভত বিৰোধী সদস্যসকলে হুলস্থূলীয়া পৰিৱেশ সৃষ্টি কৰাৰ বাবে লোকসভাও দিনটোৰ বাবে স্থগিত ৰখা হয়।

আজি পুৱাৰ ভাগত ৰাজ্যসভা মিলিত হোৱাৰ পাছত ৰাজ্যসভাৰ সভাপতি জগদীপ ধনখড়ে নিৰ্দিষ্ট ব্যৱসায়ী গোষ্ঠীৰ উপ-ঢৌকনকে ধৰি বিভিন্ন বিষয় সন্দৰ্ভত বিৰোধী সদস্যসকলৰ সদন স্থগিত প্ৰস্তাৱ অগ্ৰাহ্য কৰে। শ্ৰী ধনখড়ে সদনৰ কামকাজ বাধাগ্ৰস্ত কৰাৰ বাবে ২৬৭ নম্বৰ ধাৰা সদনত বাহাল কৰে। ৰাজ্যসভাৰ কামকাজ বাৰে বাৰে বাধাগ্ৰস্ত কৰাত অসন্তুষ্টি প্ৰকাশ কৰি শ্ৰী ধনখড়ে কয়, যে বিৰোধী সদস্যসকলে সদনত বেয়া পৰিৱেশৰ সূচনা কৰিছে আৰু জনসাধাৰণৰ আশানুৰূপ কাম কৰাৰ পৰা সদনক বাধা দিছে। তেওঁ কয়, যে বিৰোধী সদস্যসকলৰ এনে ধৰণৰ কামকাজ কেতিয়াও জনসাধাৰণৰ হিতৰ বাবে নহয়।

ইফালে লোকসভা মিলিত হোৱাৰ পাছত কংগ্ৰেছ, ডি এম কে, সমাজবাদী পাৰ্টীকে ধৰি আন বিৰোধী দলৰ সদস্যসকলে বিভিন্ন ধ্বনি দি হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি কৰে। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই সদনৰ শূন্যকালৰ কামকাজ সুকলমে অনুষ্ঠিত কৰাৰ চেষ্টা অব্যাহত ৰাখে যদিও বিৰোধী সদস্যসকল নিজৰ দাবীত অটল থাকে। তেওঁ কয়, যে জনসাধাৰণে সদন সুচাৰুৰূপে অনুষ্ঠিত হোৱাটো বিচাৰে যদিও বিৰোধী সদস্যসকলে সদনৰ কামকাজত বাধা আৰোপ কৰি আহিছে। এনে ধৰণৰ পৰিস্থিতিৰ বাবে দুপৰীয়া ১২ বজালৈ সদন স্থগিত ৰখা হয়।

দুয়োখন সদন অহা ২ ডিচেম্বৰত পুনৰ অনুষ্ঠিত হ'ব।

ooooo

অহা ৬ ডিচেম্বৰৰ পৰা নতুন দিল্লীৰ ভাৰত মণ্ডপমত হ'বলগীয়া অষ্টলক্ষ্মী মহোৎসৱে উত্তৰ-পূৰ্বাঞ্চলৰ সৈতে দেশৰ অন্যান্য প্ৰান্তৰ সাংস্কৃতিক আৰু অৰ্থনৈতিক ব্যৱধান দূৰ কৰিব বুলি উত্তৰ-পূব উন্নয়ন মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই আশা প্ৰকাশ কৰিছে। তিনিদিনীয়া এই মহোৎসৱত উত্তৰ পূৰ্বাঞ্চলৰ ৮খন ৰাজ্যৰ সংস্কৃতি আৰু প্ৰাকৃতিক সম্পদৰ প্ৰদৰ্শনৰ লগতে অঞ্চলটোৰ বিভিন্ন  কলা-কৃষ্টি প্ৰদৰ্শন কৰা হ'ব। আজি নতুন দিল্লীত আয়োজিত এখন সংবাদ মেলত মন্ত্ৰীগৰাকীয়ে কয়, যে অষ্টলক্ষ্মী মহোৎসৱ হৈছে লক্ষ্মী দেৱীৰ আঠটা অৱতাৰ যেনে- সমৃদ্ধি, সম্পদ, জ্ঞান, ধৰ্ম, কৃষি আৰু অন্যান্য বৈশিষ্ট্যৰ প্ৰতীক। উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ উন্নয়নেই হৈছে এই মহোৎসৱৰ উদযাপনৰ প্ৰধান লক্ষ্য। মন্ত্ৰীগৰাকীয়ে এজনী

কণমানি ছোৱালীক প্ৰতিফলিত কৰা পূৰ্বী নামৰ প্ৰতীকটো আজি আনুষ্ঠানিকভাৱে উন্মোচন কৰে। উত্তৰ-পূৰ্বাঞ্চলৰ সকলো ৰাজ্যৰ বৈশিষ্ট্যসমূহ এই পূৰ্বী প্ৰতীকৰ সাজ-পাৰত সন্নিৱিষ্ট কৰা হৈছে। অষ্টলক্ষ্মী মহোৎসৱত উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যৰ মুখ্যমন্ত্ৰীসকলে এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

ইউ-উইন কাৰ্যসূচীৰ জৰিয়তে দেশৰ ২৭ কোটি ৭৭ লাখ লোকৰ টীকাকৰণ কৰা হৈছে। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ ৰাজ্য মন্ত্ৰী অনুপ্ৰিয়া পেটেলে লোকসভাত এটা লিখিত প্ৰশ্নৰ উত্তৰত এই কথা প্ৰকাশ কৰি কয়, যে এই অভিযান আৰম্ভ কৰাৰ পৰা এতিয়ালৈকে ১ কোটি ২৬ লাখতকৈও অধিক টীকাকৰণ অভিযান সম্পন্ন হৈছে। তেওঁ কয়, যে যোৱা মাহলৈ এই অভিযানৰ অধীনত প্ৰায় ৭ কোটি ৪৩ লাখ হিতাধিকাৰীৰ নাম পঞ্জীয়ন কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে আৰু কয়, যে এই অভিযানে গৰ্ভৱতী মহিলাৰ বাবে জীৱনদায়িনী প্ৰতিষেধক প্ৰদান কৰা আৰু শিশুসকলৰ বাবে ১২টা প্ৰতিৰোধযোগ্য প্ৰতিষেধক প্ৰদান কৰাটো নিশ্চিত কৰিছে।

০০০০০

ৰাজ্যসভাৰ উপ সভাপতি হৰিৱংশে দেশৰ উন্নয়নত প্ৰাক্তন ৰাষ্ট্ৰপতি তথা ভাৰতৰত্ন ডঃ ৰাজেন্দ্ৰ প্ৰসাদে আগবঢ়োৱা অৱদানৰ সন্দৰ্ভত আলোকপাত কৰিছে ।তেওঁ সমাজৰ কল্যাণৰ বাবে ৰাজেন্দ্ৰ প্ৰসাদে তেওঁৰ সমগ্ৰ যাত্ৰাত সন্মুখীন হোৱা প্ৰত্যাহ্বান সমূহৰ কথা উল্লেখ কৰে। ৰাজ্যসভাৰ উপ সভাপতি গৰাকীয়ে আকাশবাণীৰ উদ্যোগত আজি নতুন দিল্লীত ডঃ ৰাজেন্দ্ৰ প্ৰসাদ সোঁৱৰণী বক্তৃতাত তেওঁৰ ভাষণত এই কথা কয়। ডঃ ৰাজেন্দ্ৰ প্ৰসাদৰ অৱদান আৰু জীৱনৰ বিষয়ে ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ সন্দৰ্ভতো তেওঁ গুৰুত্ব আৰোপ কৰে। প্ৰচাৰ ভাৰতীৰ মুখ্য কাৰ্যবাহী বিষয়া গৌৰৱ দ্বিবেদীয়ে আকাশবাণীৰ ভূমিকাক আলোকপাত কৰি কয় যে আৰম্ভণিৰে পৰা আকাশবাণী ৰাষ্ট্ৰৰ কণ্ঠস্বৰ হৈ পৰিছে। তেওঁ কয়, এফালে আকাশবাণীয়ে বাতৰি প্ৰচাৰ কৰি প্ৰতিটো প্ৰজন্মৰ মাজত সজাগতা সৃষ্টি কৰিছে, আনফালে অগণন শ্ৰোতাৰ আগত আকৰ্ষণীয় আৰু মানসম্পন্ন অনুষ্ঠান উপস্থাপন কৰিছে । অনুষ্ঠানত আকাশবাণীৰ সঞ্চালক প্ৰধান প্ৰজ্ঞা পালিৱাল গৌৰো উপস্থিত থাকে।

০০০০০

কেন্দ্ৰীয় বস্ত্ৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই বস্ত্ৰ উদ্যোগত মহিলাৰ অংশগ্ৰহণ উল্লেখনীয়ভাৱে বৃদ্ধি হোৱা বুলি মন্তব্য কৰিছে। আজি নতুন দিল্লীত এখন সংবাদমেলক সম্বোধন কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে কেন্দ্ৰীয় চৰকাৰৰ সমৰ্থ আঁচনিৰ অধীনত প্ৰায় ৬ লাখ মহিলা হিতাধিকাৰীক প্ৰশিক্ষণ দিয়া হৈছে। বস্ত্ৰ উদ্যোগৰ সহযোগত এই আঁচনিখনৰ জৰিয়তে নিয়োগৰ সুবিধা বৃদ্ধিৰ লগতে দক্ষতা বিকাশৰ লক্ষ্য লোৱা হৈছে বুলিও শ্ৰীমাৰ্ঘেৰিটাই প্ৰকাশ কৰে। বস্ত্ৰ মন্ত্ৰালয়ৰ অধীনত থকা মুঠ হিতাধিকাৰীসকলৰ মাজৰ ৮৮ শতাংশই মহিলা বুলিও তেওঁ উল্লেখ কৰে। সমাজৰ সকলো স্তৰৰ ব্যক্তিকে মূল সুতিলৈ আনি তেওঁলোকৰ সৱলিকৰণৰ হকে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ ওপৰতো মন্ত্ৰীগৰাকীয়ে আলোকপাত কৰে।

০০০০০

মহাৰাষ্ট্ৰৰ গণ্ডিয়া জিলাৰ সাদাক অৰ্জুনীত আজি বিয়লি সংঘটিত এটা দুৰ্ঘটনাত কমেও ৯ জন লোকৰ মৃত্যু হয়। ভাণ্ডাৰাৰ পৰা গণ্ডিয়ালৈ গৈ থকা ৰাজ্যিক পৰিবহণ বাছখন বিন্দ্ৰাভন টোলা গাঁৱৰ সমীপত নিয়ন্ত্ৰণ হেৰুৱাই বাগৰি পৰে। দুৰ্ঘটনাটোত থ ৯ জন লোকৰ থিতাতে মৃত্যু হোৱাৰ বিপৰীতে প্ৰায় ৩০ জন লোক আহত হয়। আহতসকলক গণ্ডিয়া জিলা চিকিৎসালয়লৈ ভৰ্তি কৰোৱা হয়। উপ-মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাডনভিছে এই দুৰ্ঘটনাত শোক প্ৰকাশ কৰাৰ লগতে আহতসকলক সহায় কৰিবলৈ জিলা বিষয়াসকলক নিৰ্দেশ দিছে। মূখ্যমন্ত্ৰী একনাথ সিন্ধে ই এই দুৰ্ঘটনাত নিহতসকলৰ পৰিয়াললৈ ১০ লাখ টকাৰ সাহায্যৰ কথা ঘোষণা কৰিছে । লগতে তেওঁ আহতসকলৰ বাবে উপযুক্ত চিকিৎসাৰ বাবে নিৰ্দেশ দিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই দূৰ্ঘটনাৰ বাতৰিৰ শোক প্ৰকাশ কৰিছে।
ছ'চিয়েল মিডিয়াত এটা পোষ্টত প্ৰধানমন্ত্ৰী মোদীয়ে দুৰ্ঘটনাত নিহতসকলৰ আত্মীয় সকলৰ প্ৰতি সমবেদনা প্ৰকাশ কৰে। তেওঁ আশা প্ৰকাশ কৰে যে আহতসকল অতি সোনকালে সুস্থ হৈ উঠিব। প্ৰধানমন্ত্ৰীয়ে কয় যে, স্থানীয় প্ৰশাসনে ক্ষতিগ্ৰস্তসকলক সহায় কৰি আছে। তেওঁ কয় যেমৃতকৰ নিকট আত্মীয়ক প্ৰধানমন্ত্ৰীৰ ৰাষ্ট্ৰীয় সাহায্য পুঁজিৰ পৰা দুই লাখ টকাৰ সাহায্য প্ৰদান কৰা হ'ব। আহতসকলকো ৫০ হাজাৰ টকা প্ৰদান কৰা হব।

ooooo

সমাপ্ত